**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-11-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
*- - - - - - - - - - - -*

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তীব্ৰতৰ প্ৰচাৰ অভিযান। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ প্ৰচাৰ অভিযানত অংশগ্ৰহণ।

২। ৱকফ সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য চৰকাৰ আৰু সংগঠনৰ প্ৰতিনিধিৰ সৈতে গুৱাহাটীত আলোচনা।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ দুদিনীয়া মাজুলী ভ্ৰমণৰ অন্তিম দিনা আজি বিভিন্ন উন্নয়নমূলক আঁচনি পৰিদৰ্শন।

৪। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সপ্তবিংশ প্ৰতিষ্ঠা দিৱসৰ দুদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ।

**আৰু**

৫। ৰাজ্যজুৰি শ্ৰীকৃষ্ণৰ ৰাস উৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

০০০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত ৪৮ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত আমবাগানৰ পৰা কাৰৈমাৰী আৰু শিঙিমাৰীলৈ এটা শোভাযাত্ৰা উলিয়ায়। দলটোৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা মন্ত্ৰী সোণোৱালে চামগুৰিত বিজেপি মিত্ৰজোঁটৰ জয় নিশ্চিত বুলি দাবী কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে।

বাইট সোণোৱাল

মন্ত্ৰী কেশৱ মহন্তইও চামগুৰিত মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ হৈ আজি প্ৰচাৰ সভাত অংশ লয়। ধলাই সমষ্টিত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোত আজি ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে ফানুছ উৰুৱাই আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়।

ইফালে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ দলপতি গৌৰৱ গগৈয়ে বিহালীত প্ৰচাৰ চলায়। নিজৰ ভাষণত শ্ৰীগগৈয়ে জনসাধাৰণক নিকা আৰু দূৰ্নীতিমুক্ত প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ আহ্বান জনায়।

বাইট

সাংসদ ৰকিবুল হুছেইনেও আজি বিহালীত প্ৰচাৰ চলায়। চামগুৰিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই প্ৰচাৰ চলায়।

ৰাজ্যৰ উপ নিৰ্বাচন হবলগীয়া ৫ টা সমষ্টিৰ ভিতৰত আম আদমী পাৰ্টীয়ে বিহালী আৰু চামগুৰি এই দুটা সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। আজি দলৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত আম আদমী পাৰ্টীৰ উপ সভাপতি অনুৰূপা ডেকাৰজাই দলৰ প্ৰাৰ্থী দুগৰাকীক জনসাধাৰণে উন্নয়ন আৰু সুপ্ৰশাসনৰ স্বাৰ্থত জয়ী

কৰিব বুলি আশা প্ৰকাশ কৰে। চিৰাং জিলাৰ চাপাগুৰিত আজি চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মন্ত্ৰী অশোক সিংহাল, যোগেন মহন, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো প্ৰমুখ্যে মিত্ৰজোটৰ তিনিওটা দলৰ ভালেসংখ্যক নেতা কৰ্মী উপস্থিত থাকে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

oooooooo

ৱকফ সংশোধনী বিধেয়কক লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য চৰকাৰ আৰু সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰাৰ উদ্দেশ্যে গুৱাহাটীলৈ অহা যুটীয়া সংসদীয় সমিতিয়ে আজি গুৱাহাটীৰ হোটেল ভিভাণ্টাত এখন বৈঠকত মিলিত হয়। সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাৰ এই সংসদীয় সমিতিৰ আন সদস্য সকলৰ ভিতৰত সাংসদ অপৰাজিতা চাৰংগী আৰু দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াও আছে। উল্লেখযোগ্য যে, এই সমিতিৰ অধ্যক্ষ জগদম্বিকা পালৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি বিৰোধী পক্ষৰ সদস্য সকলে আজিৰ এই বৈঠকত অংশগ্ৰহণৰ পৰা বিৰত থাকে। অৱশ্যে, অসম ৰাজ্যিক জমিয়ত ওলেমাৰ এটা সঁজাতি দলে বদৰুদ্দিন আজমলৰ নেতৃত্বত আজি বিয়লি সংসদীয় সমিতিৰ সৈতে প্ৰায় ৩০ মিনিট সময় ধৰি আলোচনাত মিলিত হয় আৰু তেওঁলোকৰ বক্তব্য দাঙি ধৰে। সঁজাতি দলটোৰ জমিয়তৰ সম্পাদক ৰফিকুল ইছলামকে ধৰি আন ছগৰাকী সদস্যও আছিল।

oooooooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি মাজুলী জিলা ভ্ৰমণৰ অংশ হিচাপে গেৰেকীগাঁৱৰ কেশৱৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ৰাজ্যপালগৰাকীয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সুবিধাৰ্থে বিদ্যালয়খনত উপলব্ধ পানীযোগান আৰু অনাময় ব্যৱস্থাৰ দৰে অত্যাৱশ্যকীয় সা-সুবিধাসমূহৰ বুজ লয়। ৰাজ্যপালগৰাকীয়ে ঘোৰামৰা গাঁৱৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এগৰাকী হিতাধিকাৰী ঘৰ পৰিদৰ্শন কৰি বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ বুজ লয়। ইয়াৰ লগতে শ্ৰীআচাৰ্য্যই গেৰেকীগাওঁ নামঘৰত নাম কীৰ্তনত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীৰ এই দুদিনীয়া ভ্ৰমণ সন্দৰ্ভত মাজুলীৰ পৰা এয়া আমাৰ সংবাদদাতা বিকাশ শইকীয়া ঃ

-ভইছ কাষ্ট-

oooooooo

অসমত ৰে'ল যাত্ৰীসকলৰ অধিকাৰৰ বাবে সংগ্ৰাম চলাই অহা অসম ৰে'ল যাত্ৰী সংস্থাৰ এখন গুৰুত্বপূৰ্ণ সভা আজি নলবাৰীৰ জিলা মহিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাত উত্তৰপূব সীমান্ত ৰে'লৱেৰ অধীনত দ্বৈত ৰে'ল পথ স্থাপন কৰাৰ পাছতো নামনি অসমত স্থানীয় ৰে'লগাড়ীৰ সংখ্যা বৃদ্ধি নকৰাৰ বাবে বক্তাসকলে আক্ষেপ প্ৰকাশ কৰে। সংস্থাই কভিড মহামাৰীৰ সময়ত বন্ধ কৰা ৩খন স্থানীয় ৰে'ল পুনৰ চলাচলৰ লগতে নলবাৰীৰ ৰে'ল ষ্টেচনত দূৰণিবটীয়া কেইবাখনো ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা আৰু নলবাৰীত এটা উপ-টাৰ্মিনেল স্থাপনকে ধৰি কেইবাটাও দাবী সম্বলিত প্ৰস্তাৱ গ্ৰহণ কৰে। অজিত ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাকে ধৰি কেইবাগৰাকীও বিষয়ববীয়াই বক্তব্য আগবঢ়ায়।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম ৰেঞ্জৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাইছে।** এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সপ্তবিংশ প্ৰতিষ্ঠা দিৱসৰ দুদিনীয়া কাৰ্যসূচীৰ আজি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে **বৰ্ণালী** শীৰ্ষক লোক নৃত্য আৰু গীতৰ এটা বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লি ভাগত অসমৰ শিল্প, সংস্কৃতি, নাট্য আৰু ছবি জগতৰ সদ্যপ্ৰয়াত পুৰোধা ব্যক্তি কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিচাৰণ অনুষ্ঠান আৰু সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হয়। কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্ৰুপদী নৃত্য অনুষ্ঠান- **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

গুৱাহাটী মহানগৰীৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী প্ৰতিষ্ঠান গুৱাহাটী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানৰ আজি সামৰণি পৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননী গোপাল মহন্ত, বিশিষ্ট শিক্ষাবিদ ড০ অৰনী কুমাৰ ভাগৱতী, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যকে ধৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শিক্ষানুষ্ঠান সমূহ জাতিৰ বুনিয়াদ স্বৰূপ বুলি অভিহিত কৰি উপাচাৰ্য ড০ মহন্তই ছাত্ৰ-ছাত্ৰীসকলক পুথিগত শিক্ষাৰ লগতে জীৱন বোধৰ শিক্ষাৰ প্ৰতিও আগ্ৰহী হ'বলৈ আহ্বান জনায়। এই প্ৰসংগত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিৱৰ্তিত ব্যৱস্থাৰ বিষয়েও গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য গৰাকীয়ে উল্লেখ কৰে। হীৰক জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি পৰিচালনা সমিতিৰ সভাপতি ড০ ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সমাৰোহৰ মূল পতাকা উত্তোলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। সন্ধিয়ালৈ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত এটা সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি আমাৰ মহানগৰ সংবাদদাতাই জনাইছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ১৫ নৱেম্বৰৰ পৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত উৎসাহ উদ্দীপনা সৃষ্টি হৈছে। মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআঁটী, বেঙেণাআঁটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ আৰু দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহণীয়া পৰম্পৰাই আকৰ্ষিত কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত এইবাৰো ৰাসৰ প্ৰস্তুতিৰ সমান্তৰালকৈ ৰাসলীলা আখৰা পূৰ্ণোদ্যমে চলি আছে।

উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ

উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃন্ময় মুৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সঞ্চালক ৰবীন্দ্ৰ প্ৰসাদে আজি মৰিগাঁও জিলাৰ কৃষি খণ্ডৰ বিভিন্ন কাৰ্যসূচী পৰিদৰ্শন কৰে। মায়ঙৰ ইক' ভিলেজ কেম্পত জিলা কৃষি বিষয়াৰ উপস্থিতিত সঞ্চালকগৰাকীয়ে বিভাগীয় বিষয়া কৰ্মচাৰীৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা পুষ্টি মিছনৰ সফল ৰূপায়ন সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ন্যূনতম সমৰ্থিত মূল্যত ধান আৰু সঁৰিয়হ ক্ৰয়ৰ দৰে আঁচনি সমূহৰ বিষয়েও আলোচনা কৰা হয়। ইয়াৰ পাছত খাদ্য আৰু পুষ্টি আঁচনিৰ অধীনত মায়ং কৃষি চক্ৰৰ অন্তৰ্গত ঔগুৰিত কৃষক বিপিন বৰাই ৰোপণ কৰা জহা ধানৰ খেতিও বিষয়াগৰাকীয়ে পৰিদৰ্শন কৰে। ইয়াৰ লগতে ২২ গৰাকী মহিলা কৃষি উদ্যমীৰ সৈতেও বিষয়াগৰাকীয়ে মত বিনিময় কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

শিৱসাগৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক সদৌ অসম জু-জিৎসু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা জু-জিৎসু সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনত অসমৰ ১৮ খন জিলাৰ ১৪ বছৰ অনুৰ্ধৰ ৩ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনৰ পৰাই ৰাষ্ট্ৰীয় জু-জিৎসু প্ৰতিযোগিতালৈ অসমৰ দলটো বাচনি কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এছিয়ান গেমছত খেলবিধৰ অন্তৰ্ভুক্তিৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৱ ভাৰতত ইয়াৰ জনপ্ৰিয়তা আৰু প্ৰসাৰ বৃদ্ধি পাইছে বুলি জু-জিৎসু সন্থাই মন্তব্য কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী  বাত অনুষ্ঠানত উল্লেখিত  তিনিচুকীয়া জিলাৰ বাৰেকুৰি হলৌ বান্দৰ ক্ষেত্ৰত হলৌ বান্দৰৰ সংখ্যা ২১ লৈ বৃদ্ধি পালে। অঞ্চলটোৰ তৰাজান গাঁৱত এজনী হলৌ বান্দৰে আজি পোৱালী দিয়াৰ পাছত হলৌ বান্দৰৰ সংখ্যা ২০ ৰ পৰা ২১ হ'ল।

০০০০০০০

শিৱসাগৰ জিলাৰ বাবুপট্টিৰ নিবাসী বিশিষ্ট শিক্ষাবিদ তথা প্ৰাক্তন অধ্যাপক শুভকৰণ শৰ্মাৰ যোৱা নিশা নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ। শিৱসাগৰ লায়ন্স ক্লাৱৰ প্ৰাক্তন

সভাপতি শৰ্মাই শিৱসাগৰ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অবৈতনিক অধ্যাপক হিচাপে কেইবা বছৰো সেৱা আগবঢ়াইছিল।

শিৱসাগৰৰ প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠান ডি চি এমৰ স্বত্বাধিকাৰী প্ৰয়াত শৰ্মাই গোড়খপুৰৰ গীতা প্ৰেছৰ পৰা প্ৰকাশিত ২৫খন হিন্দী গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছিল। সমাজকৰ্মীগৰাকীৰ মৃত্যুত অঞ্চলটোত জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

০০০০০০০

যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰববী অধ্যাপক, খ্যাতনাম ঢুলীয়া আৰু অনুসূচীত জাতি পৰিষদৰ প্ৰাক্তন সভাপতি ড০ ইন্দ্ৰেশ্বৰ দাসৰ আজি দেহাৱসান ঘটে। বিশিষ্ট ইতিহাসবিদ জনৰ মৃত্যুত যোৰহাটৰ বৌদ্ধিক সমাজে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**